# স্পষ্টীকৰণ

আজিৰ সংখ্যাৰ (২৩-০৭-২০১৫) “দৈনিক অগ্ৰদূত” কাকতত প্ৰকাশিত “সমস্যাৰ মাজত কৰ্তব্য পালন কৰিছে সাতগাঁও থানাৰ আৰক্ষীয়ে” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সম্পৰ্কত কোৱা হৈছে যে, সাতগাঁও আৰক্ষী থানাখন চৰকাৰী গৃহ নথকাৰ বাবে ভাড়াঘৰ এটাতহে অৱস্থিত। ভাড়াঘৰৰ মালিকক ইতিমধ্যে ঘৰটো মেৰামতি কৰিবলৈ পৰামৰ্শ দিয়া হৈছে আৰু থানাখন বেলেগ স্থানলৈ স্থানান্তৰৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। সাতগাঁও থানাত নিতৌ পুৱা-গধূলি পাণবজাৰৰ পৰা টেংকাৰেৰে খোৱাপানী যোগান ধৰা হয় আৰু এইক্ষেত্ৰত কোনোধৰণৰ অভাৱ এতিয়ালৈকে পৰিলক্ষিত হোৱা নাই। থানাখনত অধিক সংখ্যক আৰক্ষীৰ মোতায়নৰ বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি থকা হৈছে।

24/7/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

আজিৰ সংখ্যাৰ (২৩-০৭-২০১৫) “অসমীয়া প্ৰতিদিন” কাকতত প্ৰকাশিত “পলাতক নয়নজ্যোতি ভট্টাচাৰ্য্যৰ আগতীয়া জামিন মঞ্জুৰ উচ্চ ন্যায়ালয়ৰ” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সম্পৰ্কত কোৱা হৈছে যে, হাতীগাঁও থানাৰ ১৮০/২০১৫ নং গোচৰ সংক্ৰান্তত নয়নজ্যোতি ভট্টাচাৰ্য্যক তদন্তকাৰী বিষয়াৰ ওচৰত হাজিৰ হ'বলৈ ৪১ Cr.PC ধাৰামতে জাননী জাৰি কৰা হৈছিল। এই পৰ্য্যন্ত নয়নজ্যোতি ভট্টাচাৰ্য্যই তদন্তকাৰী বিষয়াৰ ওচৰত উপস্থিত হোৱা নাই। এই সংক্ৰান্তত নয়নজ্যোতি ভট্টাচাৰ্য্যৰ পৰিবাৰ অঞ্জু ভট্টাচাৰ্য্য আৰু তেখেতৰ ভাতৃক তদন্তকাৰী বিষয়াৰ ওচৰত উপস্থিত হ'বলৈ জাননী জাৰি কৰা হৈছিল আৰু সেই মৰ্মে তেখেতসকল থানাত উপস্থিত হৈ তদন্তকাৰী বিষয়াৰ ওচৰত জবানবন্দী দিয়ে যদিও নয়নজ্যোতি ভট্টাচাৰ্য্যৰ অৱস্থিতি সংক্ৰান্তত অজ্ঞতা প্ৰকাশ কৰে। এই গোচৰ সংক্ৰান্তত মাননীয় উচ্চ ন্যায়ালয়ত আগতীয়া জামিনৰ বাবে নয়নজ্যোতি ভট্টাচাৰ্য্যৰ তৰফৰ পৰা দিয়া আবেদনৰ পৰিপ্ৰেক্ষিতত জামিন মঞ্জুৰ নকৰিবলৈ তদন্তকাৰী বিষয়াই আবেদন জনাইছিল। তদন্তকালত ঘটনাস্থলীৰ পৰা উদ্ধাৰ হোৱা কিছু সামগ্ৰী বিজ্ঞানাগাৰ তথা বিশেষজ্ঞলৈ প্ৰেৰণ কৰা হৈছে আৰু ইয়াৰ প্ৰতিবেদন পোৱাৰ পিছত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ঘটনাস্থলীৰ পৰা উদ্ধাৰ হোৱা এখন পত্ৰও ইতিমধ্যে আৰক্ষীয়ে জব্দ কৰি বিজ্ঞানাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। গোচৰটোৰ তদন্ত ক্ষিপ্ৰতাৰে চলাই থকা হৈছে।

26/7/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী